জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭২/২০২৩**

# ঈদ-উল- ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ২১ এপ্ৰিল ঃ** পৱিত্ৰ ঈদ-উল-ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঈদ-উল-ফিতৰ ইছলাম ধৰ্মাৱলম্বী জনসাধাৰণৰ এক পৱিত্ৰ উৎসৱ। ৰমজান মাহৰ উপবাসৰ অন্তত ঈদ-উল-ফিতৰ উৎসৱ উদ্‌যাপনে আধ্যাত্মিকতাৰ ভেটি শক্তিশালীকৰণৰ লগতে সকলোকে মানৱতাবোধেৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই উৎসৱে ত্যাগ, কৰুণা, বন্ধুত্ব আৰু ভাতৃত্ববোধৰ মহান অনুভূতিৰে আগুৱাই যোৱাৰ বাবে সকলোকে উদ্বুদ্ধ কৰে। ঈদ-উল-ফিতৰ পালনৰ জৰিয়তে আমাৰ মাজত বৰ্তি থকা শান্তি-সম্প্ৰীতি, একতাৰ বান্ধোন আৰু অধিক শক্তিশালী হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ**
**২১/৪/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in